NEWZ NOW

সংখ্যা ২১ | শনিবাৰ, ১৪ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

কাজিৰঙা দুর্ঘটনাৰ ৭জন আহতৰ অৱস্থা সংকটজনক, ৫জন ভেণ্টিলেটৰত

কাজিৰঙাৰ ৰঙাজানৰ পথ দুর্ঘটনাত আহত ১৭জনৰ ভিতৰত ৭জন যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন। ইয়াৰে ৫জনক ভেণ্টিলেটৰত ৰখা হৈছে।



NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩০

যোৰহাট, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত পথ দুর্ঘটনাত আহতসকলৰ ভিতৰত ৭জনৰ অৱস্থা এতিয়াও সংকটজনক। যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন এই ৭জনৰ ভিতৰত ৫জনক যান্ত্রিক ভেণ্টিলেটৰৰ সহায়ত ৰখা হৈছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ মানৱজ্যোতি গোহাঁয়ে শনিবাৰে জনোৱা মতে, দুর্ঘটনাৰ পাছত মুঠ ২০জন আহতক চিকিৎসালয়খনলৈ অনা হৈছিল।

সম্পূর্ণ খবৰ:
https://newznow.in/news/3037

অসম

ৰঙাজানৰ দুর্ঘটনাত নিহত ২৬গৰাকীৰ পৰিচয় প্রকাশ



কাজিৰঙা: ৰঙাজানত সংঘটিত দুর্ঘটনাত নিহত ২৬গৰাকীৰ পৰিচয় প্রকাশ পাইছে। নিহতসকল হ'ল বেবী কর্মকাৰ, দর্পণা মাঝি, জ্যোতি মাঝি, লক্ষ্মী মাঝি, পূর্ণিমা গোৱালা,...

পঢ়ক: https://newznow.in/news/2983

দেশ

গান্ধী পৰিয়ালক লৈ কংগনা ৰাণাৱতৰ বিতর্কিত পোষ্ট; কংগনা ৰাণাৱতৰ বিৰুদ্ধে এজাহাৰ



ছিমলা, ১৪ নৱেম্বৰ: কংগ্রেছ নেত্রী ছোনিয়া গান্ধী আৰু গান্ধী পৰিয়ালক লৈ সামাজিক মাধ্যমত বিতর্কিত মন্তব্য কৰাৰ অভিযোগত বিজেপি সাংসদ তথা অভিনেত্রী কংগনা...

পঢ়ক: https://newznow.in/news/2988

দেশ

ছ'চিয়েল মিডিয়াত কমাণ্ডাৰক হত্যাৰ ভাবুকি! অসমীয়া চি আৰ পি এফ জোৱানক চাকৰিৰ পৰা বর্খাস্ত



নতুন দিল্লী, ১৪ নৱেম্বৰ: ছ'চিয়েল মিডিয়াত নিজৰ কোম্পানী কমাণ্ডাৰক হত্যা কৰাৰ লগতে নিজেও আত্মহত্যা কৰাৰ ভাবুকি দিয়াৰ অভিযোগত অসমৰ চি আৰ পি এফ জোৱান প...

পঢ়ক: https://newznow.in/news/3045

ক্রীড়া

ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদত পেলেষ্টাইনী জনগণৰ ভাৰতৰ সমর্থনত ভাৰতৰ ভোট



ৰাষ্ট্রসংঘ, ১১ নৱেম্বৰ: অধিকৃত পেলেষ্টাইনী ভূখণ্ড আৰু অধিকৃত ছিৰীয়ান গোলানৰ জনসাধাৰণৰ প্রাকৃতিক সম্পদৰ ওপৰত স্থায়ী সার্বভৌমত্বৰ অধিকাৰ পুনৰ নিশ্চিত...

পঢ়ক: https://newznow.in/news/3007

ভিতৰৰ পাতত

আন্তঃৰাষ্ট্রীয়: "আপোনাৰ লিংগৰ বাবেই নেকি?" মাইক্ৰ'...

দেশ: নেহৰুৰ জন্মবার্ষিকীত মোদীৰ শ্রদ্ধা...

অসম: ৰঙাজান দুর্ঘটনা: ট্রেভেলাৰ চালকৰ ব...

অসম: কাজিৰঙাৰ দুর্ঘটনাত ২৬ নিহতৰ মাজত ব...

আন্তঃৰাষ্ট্ৰীয়

"আপোনাৰ লিংগৰ বাবেই নেকি?" মাইক্ৰ'ফোনত বন্দী প্ৰধানমন্ত্ৰীআৰু মন্ত্ৰী অশালীন ধেমালি

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৬



এণ্টালিয়া, ১৪ নৱেম্বৰ: তুৰস্কৰ এণ্টালিয়াত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় জলবায়ু সম্মিলন কপ-৩১ত মুকলি মাইক্ৰ'ফোনত ধৰা পৰিছে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী এলবানিজ আৰু দেশখনৰ জলবায়ু পৰিৱৰ্তন তথা শক্তিমন্ত্ৰী ক্ৰিছ ব'ৱেনৰ মাজৰ অশালীন ধেমালি।

এখন বৈঠক আৰম্ভ হোৱাৰ পূৰ্বে দুয়োগৰাকী নেতাই ব্যক্তিগত অংগ আৰু ম'বাইল ফোনৰ ব্যৱহাৰক লৈ কথা পাতি আছিল। কেমেৰা আৰু মাইক্ৰ'ফোনত এই কথোপকথন বন্দী হোৱাৰ পাছতে ঘটনাটোৱে চৰ্চা লাভ কৰিছে।

এলবানিজে ব'ৱেনক বুকুৰ জেপত ম'বাইল ফোন নাৰাখিবলৈ পৰামৰ্শ দিয়ে। ম'বাইল ফোনৰ তৰংগই হৃদযন্ত্ৰৰ ছন্দত প্ৰভাৱ পেলাব পাৰে বুলি তেওঁ কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3041

দেশ

নেহৰুৰ জন্মবাৰ্ষিকীত মোদীৰ শ্ৰদ্ধাঞ্জলি

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩



নতুন দিল্লী, ১৪ নৱেম্বৰ: দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মবাৰ্ষিকী উপলক্ষে শনিবাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3051

অসম

ৰঙাজান দুৰ্ঘটনা: ট্ৰেভেলাৰ চালকৰ বিশেষ মৰণোত্তৰ পৰীক্ষাৰ নিৰ্দেশ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৭



গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ উদ্ঘাটনৰ বাবে ট্ৰেভেলাৰখনৰ চালকজনৰ বিশেষ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই।

শনিবাৰে দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চালকজনৰ ষ্ট্ৰোক হৈছিল নেকি অথবা তেওঁ সুৰাপান কৰি বাহন চলাইছিল নেকি, সেই দুয়োটা দিশ তদন্তৰ আওতালৈ অনা হৈছে।

তেওঁ কয়, দুৰ্ঘটনাৰ ভিডিঅ' ফুটেজত ট্ৰেভেলাৰখন হঠাৎ দিশ সলনি কৰি কণ্টেইনাৰ ট্ৰাকখনৰ সন্মুখলৈ যোৱা দেখা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2995

অসম

কাজিৰঙাৰ দুৰ্ঘটনাত ২৬ নিহতৰ মাজত বিহাৰৰো এজন

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১১



গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত ২৬গৰাকী লোকৰ ভিতৰত বিহাৰৰ এজন ৩৮ বছৰীয়া লোকো আছে। নিহত লোকজন বিহাৰৰ মধুবনী জিলাৰ তুফানপুৰৰ বাসিন্দা মহম্মদ ৰফিক আলী। তেওঁৰ পিতৃৰ নাম ছামী আহমেদ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2962

অসম

কাজিৰঙা দুর্ঘটনা: চালকৰ ষ্ট্রোক বা হার্ট এটেকৰ সম্ভাৱনা মুখ্যমন্ত্রীৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৫



গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুর্ঘটনাটোৰ প্রকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই বুলি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই জনায়। চালকজনৰ হার্ট এটেক, ষ্ট্রোক অথবা হঠাৎ তেজত শর্কৰাৰ মাত্রা হ্রাস পোৱাৰ ফলত বাহনখনৰ ওপৰত নিয়ন্ত্রণ হেৰাইছিল নেকি, সেই দিশো তদন্ত কৰা হ'ব।

দুর্ঘটনাস্থলী পৰিদর্শন কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয় যে, দুর্ঘটনাৰ সময়ত ট্রেভেলাৰখন ঘণ্টাত ১০০ কিলোমিটাৰতকৈ অধিক বেগত চলি আছিল। অথচ কাজিৰঙা এলেকাত বাহনৰ গতিবেগ ঘণ্টাত ৪০ কিলোমিটাৰলৈ সীমিত ৰখাৰ নিয়ম আছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2950

অসম

কাজিৰঙা দুর্ঘটনাত নিহতসকলৰ পৰিয়াললৈ ৭ লাখ টকাকৈ সাহায্য ঘোষণা মুখ্যমন্ত্রীৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩০



গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত পথ দুর্ঘটনাৰ ঘটনাস্থলী পৰিদর্শন কৰি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই নিহতসকলৰ পৰিয়াললৈ মুঠ ৭ লাখ টকাকৈ আর্থিক সাহায্য প্রদানৰ কথা ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2934

অসম

একেলগে জ্বলিব তিনি ভগ্নীৰ চিতা, কাজিৰঙাৰ দুর্ঘটনাই কাঢ়িলে একেটা পৰিয়ালৰ তিনিগৰাকীকে কন্যাৰ প্রাণ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৬



গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়াৱহ পথ দুর্ঘটনাত একেটা পৰিয়ালৰ তিনিগৰাকী কন্যাৰ মৃত্যু হৈছে। নিহত তিনিগৰাকী হৈছে জ্যোতি মাঝি, দর্পণা মাঝি আৰু লক্ষ্মী মাঝি।

জ্যোতি মাঝি আৰু দর্পণা মাঝিয়ে দুর্ঘটনাস্থলীতে প্রাণ হেৰুৱাইছিল। গুৰুতৰভাৱে আহত লক্ষ্মী মাঝিৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। লক্ষ্মী মাঝি দুই ভগ্নীৰ ৰৱদেউতাকৰ জীয়ৰী আছিল।

তিনিওগৰাকী কন্যাৰ শেষকৃত্য আজি একেলগে সম্পন্ন কৰা হ'ব। একেটা পৰিয়ালৰ তিনিগৰাকী কন্যাৰ মৃত্যুত আত্মীয়-স্বজন শোকত ভাগি পৰিছে।

শুকুৰবাৰে সংঘটিত এই দুর্ঘটনাত বর্তমানলৈকে ২৬গৰাকী লোকৰ মৃত্যু হৈছে। গুৰুতৰভাৱে আহতসকলৰ চিকিৎসা অব্যাহত আছে।


আহতসকলক প্রথমে কঁহৰা আদর্শ চিকিৎসালয় আৰু বোকাখাত শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ভর্তি কৰোৱা হৈছিল। পাছত উন্নত চিকিৎসাৰ বাবে তেওঁলোকক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্রেৰণ কৰা হয়। বর্তমান চিকিৎসালয়খনত ১৭গৰাকী আহত লোক চিকিৎসাধীন হৈ আছে আৰু ইয়াৰে এগৰাকীৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/2929

অসম

মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ নির্বাচনঃ মনোনয়ন-পত্ৰ পৰীক্ষা সম্পন্ন

NewzNow জিলা ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, পুৱা ৮:১৬



গুৱাহাটী, ১৪ নৱেম্বৰ: ৩০ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া মিচিং স্বায়ত্তশাসিত পৰিষদ (MAC) আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ (SKAC)ৰ সাধাৰণ নির্বাচনৰ মনোনয়ন-পত্ৰসমূহৰ পৰীক্ষা-নিৰীক্ষা সম্পন্ন হৈছে। পৰীক্ষাৰ অন্তত দুয়োখন পৰিষদৰ নির্বাচনৰ বাবে দাখিল কৰা মনোনয়ন-পত্ৰৰ বৈধতাৰ তথ্য প্ৰকাশ পাইছে।

সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ নির্বাচনৰ বাবে মুঠ ১৬৩খন মনোনয়ন-পত্ৰ দাখিল কৰা হৈছিল। ইয়াৰে ১৩০খন মনোনয়ন-পত্ৰ বৈধ বুলি ঘোষণা কৰা হৈছে। এই নির্বাচনত কোনো প্ৰাৰ্থীৰ মনোনয়ন-পত্ৰ নাকচ হোৱা নাই বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2866

দেশ

নগ্ন ছবিৰ বিনিময়ত যুদ্ধৰ গোপন তথ্য ফাদিলৰ অভিযোগ! বায়ুসেনাৰ উইং কমাণ্ডাৰৰ বিৰুদ্ধে

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ১১:৪১



সন্দেহজনক পাকিস্তানী চোৰাংচোৱা অপাৰেটিভৰ সৈতে যোগাযোগ কৰি গোপন যুদ্ধ-পৰিকল্পনা, ড্ৰোন ইউনিটৰ সক্ষমতা, যুদ্ধবিমানৰ মোতায়েন আৰু সংবেদনশীল সামৰিক স্থানৰ তথ্য ভাগ-বতৰা কৰাৰ অভিযোগত ভাৰতীয় বায়ুসেনাৰ এগৰাকী উইং কমাণ্ডাৰৰ বিৰুদ্ধে দিল্লীৰ আদালতত অভিযোগপত্ৰ দাখিল কৰিছে আৰক্ষীয়ে। অফিচিয়েল ছিক্ৰেটছ এক্টৰ অধীনত গ্ৰেপ্তাৰ হোৱা বিষয়াগৰাকীয়ে নগ্ন ছবি পোৱাৰ বিনিময়ত গোপন যুদ্ধ-পৰিকল্পনাৰ পৃষ্ঠা প্ৰেৰণ কৰিছিল বুলিও অভিযোগপত্ৰত উল্লেখ আছে।

আৰক্ষীৰ মতে, এনে তথ্য ফাদিল হ'লে গুৰুত্বপূৰ্ণ সামৰিক সম্পদ, অভিযানগত সুৰক্ষা আৰু দেশৰ স...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2859

দেশ

প্ৰধানমন্ত্ৰীৰ জিগানী ভ্ৰমণৰ বাবেই গাঁৱে গাঁৱে মাংস বিক্ৰী বন্ধ! ভ্ৰমণক কেন্দ্ৰ কৰি কর্ণাটকত বিতর্ক।

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৯:৩৩



বেংগালুৰু, ১৩ নৱেম্বৰ: প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জিগানী ভ্ৰমণৰ পূৰ্বে বেংগালুৰু নগৰ জিলাৰ জিগানীৰ দাঁতিকাষৰীয়া কেইবাখনো গাঁৱত মাংস বিক্ৰী নিষিদ্ধ কৰি জাৰি কৰা নির্দেশক লৈ নাগৰিক আৰু প্ৰগতিশীল সংগঠনসমূহৰ মাজত তীব্ৰ প্...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2853

দেশ

মহিলা জিলাধিপতিলৈ আপত্তিজনক বার্তা! তামিলনাড়ুত টিভিকে বিধায়কৰ বিৰুদ্ধে অভিযোগ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৮:৪২



চেন্নাই: তামিলনাড়ুৰ কল্লাকুৰিচিৰ টিভিকে বিধায়ক চি অৰুল বিগ্নেশৰ বিৰুদ্ধে এগৰাকী মহিলা জিলাধিপতিলৈ অশ্লীল তথা আপত্তিজনক বার্তা প্ৰেৰণৰ অভিযোগক কেন্দ্ৰ কৰি ৰাজ্যখনৰ ৰাজনীতি উত্তপ্ত হৈ উঠিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2845

দেশ

অংকিতা ভাণ্ডাৰী হত্যাকাণ্ড: উৰ্মিলা ছানাৱাৰৰ নাৰ্কো-পলিগ্ৰাফ পৰীক্ষাত আদালতৰ অনুমতি

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ১১:১৮



দেৰাদুন, ১৩ নৱেম্বৰ: অংকিতা ভাণ্ডাৰী হত্যাকাণ্ডৰ কথিত 'ভিআইপি' সংযোগসম্পৰ্কীয় অডিঅ' ৰেকৰ্ডৰ তদন্তৰ অংশ হিচাপে টেলিভিছন অভিনেত্ৰী উৰ্মিলা ছানাৱাৰৰ নাৰ্কো-এনালাইছিছ আৰু পলিগ্ৰাফ পৰীক্ষাৰ অনুমতি দিছে দেৰাদুনৰ বিশেষ চিবিআই আদালতে। ছানাৱাৰে স্বেচ্ছাই দুয়োটা পৰীক্ষাৰ বাবে সম্মতি জনোৱাৰ পাছত শুকুৰবাৰে আদালতে তেওঁৰ জবানবন্দী লিপিবদ্ধ কৰে।

গুজৰাটৰ গান্ধীনগৰত পৰীক্ষা দুটা অনুষ্ঠিত হ'ব। অৱশ্যে, এতিয়াও পৰীক্ষাৰ দিন নিৰ্ধাৰণ কৰা হোৱা নাই। পৰীক্ষাৰ পূৰ্বে ছানাৱাৰৰ চিকিৎসা পৰীক্ষা সম্পন্ন কৰা হ'ব বুলি তেওঁৰ অধিবক্তাই জনাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2857

অসম

অসুস্থ পিতৃৰ ঔষধ আনিবলৈ গৈ উভতি অহাৰ পথত দীপক গুৰুঙৰ মৃত্যু

NewzNow জিলা ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, নিশা ৭:৪১



কাজিৰঙা, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাপৰাত সংঘটিত এক ভয়াৱহ পথ দুৰ্ঘটনাত দীপক গুৰুঙে প্ৰাণ হেৰুৱাইছে।

জানিব পৰা মতে, অসুস্থ পিতৃৰ বাবে ঔষধ আনিবলৈ দীপক গুৰুঙ চিলনীজানলৈ গৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3090

দেশ

হায়দৰাবাদৰ ভাৰত ছামিটত ভিছা বাধা! আমন্ত্ৰিত ৩১৫ বক্তাৰ ১১৫ জনেই উপস্থিত থাকিব নোৱাৰাৰ অভিযোগ কংগ্ৰেছৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৯:০৫



হায়দৰাবাদ, ৫ এপ্ৰিল: হায়দৰাবাদত শুকুৰবাৰৰ পৰা আৰম্ভ হোৱা দুদিনীয়া ভাৰত সম্মিলনলৈ আমন্ত্ৰিত কেইবাজনো বিদেশী বক্তাক ভাৰততে প্ৰৱেশ কৰিবলৈ দিয়া নহ'ল অথবা তেওঁলোকৰ ভিছা বাতিল কৰা হ'ল বুলি কংগ্ৰেছে অভিযোগ কৰিছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে দাবী কৰে যে, আমন্ত্ৰিত ৩১৫ জন বক্তাৰ ভিতৰত ১১৫ জন ভাৰতলৈ আহিব নোৱাৰিলে। আনহাতে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভিছা-সংক্ৰান্তীয় বিষয়ক যিকোনো দেশ বা চৰকাৰৰ সাৰ্বভৌম অধিকাৰৰ অন্তৰ্গত বুলি মন্তব্য কৰিছে।

তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডীয়েও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমালোচনা কৰা লোকসকলক দেশলৈ অহাত বাধা দিবলৈ কেন্দ্ৰই পদক্ষেপ লোৱা বুলি অভিযোগ কৰিছে। অৱশ্যে কিমানজনক প্ৰৱেশত বাধা দিয়া হৈছে, সেই সংখ্যা তেওঁ প্ৰকাশ কৰা নাই। সম্মিলনখন শনিবাৰে সমাপ্ত হ'ব। ফলত এতিয়া সিদ্ধান্ত সলনি হ'লেও বাধাপ্ৰাপ্ত বক্তাসকলে কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰিব বুলি থাৰুৰে উল্লেখ কৰে।

সংবাদমেলত মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে কয় যে, প্ৰধানমন্ত্ৰী মোদীক প্ৰশ্ন কৰা লোকসকলক ভাৰতলৈ আহিবলৈ নিদিবলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু গৃহ মন্ত্ৰালয়ে পদক্ষেপ লৈছে। তেলেংগানা কংগ্ৰেছৰ সংবাদমাধ্যমৰ দায়িত্বত থকা চামালা কিৰণ কুমাৰ ৰেড্ডীয়ে আগতে প্ৰায় ৩০ শতাংশ আমন্ত্ৰিত ব্যক্তিয়ে ভিছা-সংক্ৰান্তীয় সমস্যাৰ বাবে ভাৰতলৈ যাত্ৰা কৰিব নোৱাৰিলে বুলি দাবী কৰিছিল।

ন'ৰৱেৰ সাংবাদিক হেলে লিঙে শনিবাৰে সম্মিলনত বক্তা হিচাপে অংশগ্ৰহণ কৰাৰ কথা আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2851

অসম

সূতাৰগাঁও পাব্লিক হাইস্কুলত মেট্ৰিক পঞ্জীয়নক লৈ গাফিলতি, ৪০ গৰাকী ছাত্ৰ-ছাত্ৰী বঞ্চিত

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৮:৩৬



সূতাৰগাঁও, ১৩ নৱেম্বৰ: সূতাৰগাঁও পাব্লিক হাইস্কুলত প্ৰধান শিক্ষয়িত্ৰী ফিৰুজা খাতুন, কেৰাণী গুলজাৰ হুছেইন আৰু কেইজনমান সহশিক্ষকৰ বিৰুদ্ধে উত্থাপিত বিভিন্ন অভিযোগৰ তদন্ত কৰিবলৈ নগাঁও জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকী বিদ্যালয়খনত উপস্থিত হয়।

শিক্ষাৰ্থী আৰু অভিভাৱকসকলে পৰিদৰ্শকগৰাকীৰ ওচৰত লিখিত অভিযোগ দাখিল কৰে। প্ৰধান শিক্ষয়িত্ৰী আৰু কেৰাণীৰ গাফিলতিত ৪০ গৰাকী শিক্ষাৰ্থী মেট্ৰিকৰ পঞ্জীয়নৰ পৰা বঞ্চিত হৈছে বুলি তেওঁলোকে অভিযোগ তোলে।

মেট্ৰিক পৰীক্ষা কেন্দ্ৰ স্থানান্তৰৰ নামত শিক্ষাৰ্থীসকলৰ পৰা ৫০০ টকাৰ পৰা ১,০০০ টকালৈকে ধন লোৱা হৈছিল বুলিও...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2847

অসম

সমাজ-জাতিৰ প্ৰতি হাগ্ৰামাৰ দায়বদ্ধতা নাই: প্ৰমোদ বড়ো

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, আবেলি ৬:০১



ওদালগুৰি, ১৪ নৱেম্বৰ: ইউপিপিএলৰ পঞ্চম ত্ৰিবাৰ্ষিক অধিৱেশনত প্ৰমোদ বড়োক পুনৰ তিনি বছৰৰ বাবে দলটোৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

খাগ্ৰাবাৰীত অনুষ্ঠিত অধিৱেশনখনৰ অন্তিম দিনৰ কাৰ্যসূচীত অংশ লৈ নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে শিক্ষা, অৰ্থনীতিকে ধৰি বড়োলেণ্ডৰ উন্নয়নৰ স্বাৰ্থত কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। আগন্তুক তিনি বছৰত বিটিচিত ইতিবাচক দৃষ্টিভংগীৰে সামাজিক কাম-কাজ চলাই যোৱাৰ কথাও তেওঁ কয়।


বৰ্তমান ৰাজ্য আৰু বিটিচিত ইউপিপিএল মিত্ৰজোঁটত নাই বুলি উল্লেখ কৰি প্ৰমোদ বড়োৱে আগন্তুক উপ-নিৰ্বাচনত তিনিটা সমষ্টিত দলে অকলেই শক্তি প্ৰদৰ্শন কৰিব বুলি ইংগিত দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3075

অসম

সীতাজখলা দুগ্ধ সমবায় সমিতিৰ পঞ্জীয়নৰ ৬৯সংখ্যক বৰ্ষ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৭



জাগীৰোডৰ সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিয়ে এইবেলি পঞ্জীয়নৰ ৬৯সংখ্যক বৰ্ষ উদ্‌যাপন কৰিছে। লগতে সমিতিখনৰ দুগ্ধ প্ৰকল্প প্ৰতিষ্ঠাৰ গৌৰৱোজ্জ্বল নৱম বৰ্ষও চলি আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3067

অসম

দেৰগাঁৱৰ জীয়েকৰ ঘৰৰ পৰা ঘৰলৈ বুলি উঠা ট্ৰেভেলাৰখনেই হৈ পৰিল শেষ যাত্ৰাৰ বাহন

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৫



গোলাঘাট, ১৪ নৱেম্বৰ: কাজিৰঙাৰ এক ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা নগাঁৱৰ অসীম ফুকনৰ মৃতদেহ গোলাঘাট চিকিৎসালয়ত চিনাক্ত কৰে তেওঁৰ কন্যা আৰু জোঁৱায়েকে। পিতৃৰ নিথৰ দেহ দেখি কান্দোনত ভাগি পৰে কন্যা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3033

ৰাজনীতি

কংগ্ৰেছ বিধায়ক ভূষণ বাৰাৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰা নাবালিকাক অপহৰণৰ অভিযোগত দুজনৰ বিৰুদ্ধে গোচৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৬



ছিমডেগা, ১৪ নৱেম্বৰ: ঝাৰখণ্ডৰ কংগ্ৰেছ বিধায়ক ভূষণ বাৰাৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰা ১৫ বছৰীয়া কিশোৰীগৰাকীক অপহৰণ কৰি বিধায়কজনৰ বিৰুদ্ধে 'মিছা' বক্তব্য দিবলৈ হেঁচা প্ৰয়োগ কৰাৰ অভিযোগত দুজন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে আৰক্ষীয়ে।

আৰক্ষীৰ তথ্য অনুসৰি, কিশোৰীগৰাকীৰ ককাকে ১৩ নৱেম্বৰত ছিমডেগা জিলাৰ পাত্ৰতাণ্ড আৰক্ষী থানাত অভিযোগ দাখিল কৰে। অভিযোগ অনুসৰি, তিনিদিন পূৰ্বে দুজন লোকে কিশোৰীগৰাকীক অপহৰণ কৰি বিধায়ক ভূষণ বাৰাৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3049

অসম

ৰঙাজান দুৰ্ঘটনাত নিহত ২৬গৰাকীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন

শাহ্ আলম | ১৪ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



ৰঙাজান, কাজিৰঙা: যাত্ৰীবাহী ট্ৰেভেলাৰ আৰু এখন কণ্টেইনাৰ ট্ৰাকৰ সংঘৰ্ষত নিহত ২৬গৰাকী লোকৰ মৰণোত্তৰ পৰীক্ষা শনিবাৰে সম্পন্ন কৰা হয়।

ইয়াৰে ২৩টা মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা গোলাঘাট অসামৰিক চিকিৎসালয়ত সম্পন্ন হয়। আন তিনিটা মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত কৰা হয়। দুৰ্ঘটনাটোৰ ভয়াবহতা আৰু একেলগে বৃহৎ সংখ্যক লোকৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত মৰণোত্তৰ পৰীক্ষাৰ কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

এই উদ্দেশ্যে গুৱাহাটীৰ পৰা অতিৰিক্ত চিকিৎসকৰ এটা দল গোলাঘাটলৈ অনা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3057

অসম

ছয়গাঁৱত গীৰ্জা লণ্ডভণ্ডৰ অভিযোগত তিনিজন গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



গুৱাহাটী, ১৪ নৱেম্বৰ: কামৰূপ গ্ৰাম্য জিলাৰ ছয়গাঁও অঞ্চলত এখন গীৰ্জা লণ্ডভণ্ড কৰাৰ অভিযোগত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3027

দেশ

১০ লাখ টকা স্বাস্থ্য বীমা, ৫ লাখ টকালৈ দুৰ্ঘটনা বীমা: নতুন আঁচনি ঘোষণা ৰাহুল গান্ধীৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



হায়দৰাবাদ, ১৪ নৱেম্বৰ: অনলাইন সামগ্ৰী যোগান ধৰা কৰ্মীকে ধৰি গিগ কৰ্মীসকলৰ সামাজিক আৰু আৰ্থিক সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে তেলেংগানা চৰকাৰে নতুন আঁচনি ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3025

অসম

ৰঙাজান দুর্ঘটনাত বৌৱেক-ননদৰ মৃত্যু!

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৪



গুৱাহাটী, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুর্ঘটনাত ডিব্রুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ বামুণবাৰী চাহ বাগিচাৰ বাসিন্দা জয়ন্তী ৰবিদাস আৰু তেওঁৰ হ'বলগীয়া বৌৱেক সুজাতা তাঁতীৰ মৃত্যু হৈছে।

জয়ন্তী কিশোৰ ৰবিদাসৰ একমাত্ৰ কন্যা আছিল। 'ঝুম'ইৰ বিনন্দিনী' অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ নিজৰ প্ৰতিভাৰে সকলোৰে দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছিল।


আগন্তুক ফেব্ৰুৱাৰী মাহত জয়ন্তীৰ জ্যেষ্ঠ ভাতৃৰ সৈতে সুজাতা তাঁতীৰ বিবাহৰ দিন ঠিক হৈছিল। হ'বলগীয়া বৌৱেক সুজাতাৰ সৈতে ফুৰিবলৈ ওলাই আহিছিল জয়ন্তী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3003

অসম

এপ্ৰিলত মুকলি হ'ব বিশ্বনাথ ঘাট-উমাটুমনি ৰ'পৰে

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৪



বিশ্বনাথ, ১৪ নৱেম্বৰ: বিশ্বনাথ ঘাটৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুত অৱস্থিত ঐতিহাসিক উমাটুমনি নদীদ্বীপলৈ নির্মাণাধীন ৰ'পৰে প্ৰকল্প অহা এপ্ৰিল মাহত জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শর্মাই।

শনিবাৰে বিশ্বনাথ ঘাটত উপস্থিত হৈ ৰ'পৰে প্ৰকল্পটোৰ নির্মাণকার্যৰ অগ্ৰগতি পৰিদর্শন কৰাৰ পাছতে মুখ্যমন্...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2999

অসম

বাংলাদেশী নাগৰিকক সৰবৰাহ আৰু আশ্ৰয় দিয়াৰ অভিযোগত ৪জন গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৮



গুৱাহাটী, ১৪ নৱেম্বৰ: মহানগৰ আৰক্ষীৰ সীমান্ত শাখাই চলোৱা অভিযানত বাংলাদেশী নাগৰিকক অবৈধভাৱে সৰবৰাহ আৰু আশ্ৰয় দিয়াৰ অভিযোগত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ হোৱা লোকসকলৰ ভিতৰত দুজন কেব চালক আৰু দুটা হোটেলৰ দুজন মেনেজাৰ আছে।

আৰক্ষীৰ অভিযোগ অনুসৰি, অধিক ধন উপার্জনৰ লোভত কেব চালক কৰণ সোণোৱাল আৰু বিপুল চেতিয়াই মেঘালয় সীমান্তৰ পৰা বাংলাদেশী নাগৰিকক গুৱাহাটীলৈ কঢ়িয়াই আনিছিল।

বাংলাদেশী নাগৰিকক হোটেলত আশ্ৰয় দিয়াৰ অভিযোগত সঞ্জীৰ হাজৰিকা আৰু লাচিত গগৈ নামৰ দুজন হোটেল মেনেজাৰকো গ্ৰেপ্তাৰ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2987

ৰাজনীতি

উত্তৰ প্ৰদেশত ১৮১খন আসন বিচাৰিছে কংগ্ৰেছে: অখিলেশ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৮



নতুন দিল্লী, ১৪ নৱেম্বৰ: ২০২৭ চনৰ উত্তৰ প্ৰদেশ বিধানসভা নির্বাচনৰ পূর্বে বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ত আসন ভাগ-বতৰাক লৈ নতুন চর্চা আৰম্ভ হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3021

দেশ

ডিগাৰু ৰে'ল দুর্ঘটনাৰ পিছত বাধ্যতামূলক ব্রেক পৰীক্ষাৰ নির্দেশ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৮



গুৱাহাটী, ১৪ নৱেম্বৰ: ডিগাৰুত কলকাতা-ছাইৰাং এক্সপ্রেছ লাইনচ্যুত হোৱাৰ ঘটনাৰ পিছতে ৰে'লৰ সুৰক্ষা ব্যৱস্থা অধিক কঠোৰ কৰাৰ নির্দেশ দিছে ৰে'লৱে ব'র্ডে। এতিয়াৰে পৰা ৰে'লৰ দায়িত্ব গ্রহণ কৰাৰ পিছত চলন্ত ৰে'লৰ চালক আৰু সহকাৰী চালকৰ দলে বাধ্যতামূলকভাৱে ব্রেক পৰীক্ষা সম্পন্ন কৰিব লাগিব।

১১ নৱেম্বৰত গুৱাহাটীৰ সমীপৰ ডিগাৰু ৰে'ল ষ্টেচনত সংঘটিত দুর্ঘটনাৰ পিছতে এই নির্দেশনা জাৰি কৰা হৈছে। ১১ নৱেম্বৰত সকলো মণ্ডলীয় ৰে'লৱৈলৈ প্রেৰণ কৰা নির্দেশনাত ১২ৰ পৰা ১৮ নৱেম্বৰলৈ বিশেষ সুৰক্ষা অভিযান চলোৱাৰ কথাও উল্লেখ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2979

অসম

জুৰীয়াৰ কেন্দ্রুগুৰীত শিশু দিৱস উদযাপন

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৮



কেন্দ্রুগুৰী, ১৪ নৱেম্বৰ: দেশৰ প্রথম প্রধানমন্ত্রী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মজয়ন্তী উপলক্ষে দেশজুৰি শিশু দিৱস পালন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2975

উত্তৰ-পূর্বাঞ্চল

আটকাধীনৰ মুক্তি আৰু গোচৰ প্রত্যাহাৰ; চিয়াং বান্ধ সন্দর্ভত চৰকাৰৰ সৈতে আলোচনাৰ বাবে আদি সংগঠনৰ ৪ চর্ত

শ্বাহ্ আলম | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪০



১৪ নৱেম্বৰ: অৰুণাচল প্রদেশৰ প্রস্তাৱিত চিয়াং আপাৰ মাল্টিপাৰপাছ প্রজেক্ট (SUMP)ক লৈ ৰাজ্য চৰকাৰৰ সৈতে আলোচনাত বহাৰ পূর্বে চাৰিটা চর্ত বান্ধি দিছে আদিবাসী সংগঠন আদি বা কেবাং ইউনাইটেডে (ABKU)। আন্দোলনৰ সময়ত আটকাধীন সকলো লোকক মুক্তি, প্রতিবাদকাৰীৰ বিৰুদ্ধে ৰুজু কৰা গোচৰ প্রত্যাহাৰ, চিয়াং উপত্যকাৰ পৰা কেন্দ্রীয় সশস্ত্র বাহিনী প্রত্যাহাৰ আৰু চৰকাৰী চাকৰিৰ পৰা আঁতৰোৱা গাঁওবুঢ়াসকলক পুনৰ নিযুক্তি দিয়াৰ দাবী উত্থাপন কৰিছে সংগঠনটোৱে।

শুকুৰবাৰে ABKUৰ সভাপতি ডি জি তামুক আৰু সাধাৰণ সম্পাদক জিৰবো জামোহে মুখ্যমন্ত্রীলৈ এখন স্...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2970

অসম

ছট্ পূজাত গুৱাহাটীত যান-বাহন চলাচলত বিশেষ নিষেধাজ্ঞা

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩০



গুৱাহাটী, ১৪ নৱেম্বৰ: ছট্ পূজা উপলক্ষে যান-বাহন চলাচল সুচল কৰি ৰখা আৰু ভক্তসকলৰ যাতায়াতৰ সুবিধার্থে গুৱাহাটী মহানগৰ যান-বাহন আৰক্ষীয়ে বিশেষ নির্দেশনা জাৰি কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2966

অসম

কাছাৰত প্ৰায় ৬০ কোটি টকাৰ ইয়াবা টেবলেট জব্দ

শ্বাহ্ আলম | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৩



শিলচৰ, ১৪ নৱেম্বৰ: নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে চলোৱা যৌথ অভিযানত কাছাৰ জিলাত প্ৰায় ৬০ কোটি টকা মূল্যৰ ইয়াবা টেবলেট জব্দ কৰিছে অসম ৰাইফলছ আৰু ৰাজহ চোৰাংচোৰা সঞ্চালকালয়ৰ শিলচৰ শাখাই। এখন ডাম্পাৰ ট্ৰাকৰ পৰা বৃহৎ পৰিমাণৰ নিষিদ্ধ টেবলেট উদ্ধাৰ কৰাৰ লগতে এজন লোকক আটক কৰা হৈছে।

শুকুৰবাৰে মিজোৰামৰ পৰা অসম অভিমুখে আহি থকা ডাম্পাৰ ট্ৰাকখন বৰখলাৰ সমীপত নিৰাপত্তাৰক্ষীৰ দলে ৰখাবলৈ চেষ্টা কৰে। কিন্তু বাহনখনে আৰক্ষী-নিৰাপত্তাৰক্ষীৰ বাধা এৰাই পলায়নৰ চেষ্টা কৰাত যৌথ দলটোৱে খেদি যায়। পিছত অভিযানকাৰী দলটোৱে ট্ৰাকখন ৰখাবলৈ সক্ষম হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2958

অসম

অবৈধ ধন সংগ্ৰহ, ভাবুকিৰ অভিযোগত গুৱাহাটীত ২২গৰাকী তৃতীয় লিংগৰ ব্যক্তি গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০২



গুৱাহাটী, ১৪ নৱেম্বৰ: পথচাৰী আৰু ৰাজপথেৰে চলাচল কৰা বাহনৰ গৰাকীৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগত গুৱাহাটী আৰক্ষীয়ে ২২গৰাকী তৃতীয় লিংগৰ ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। মহানগৰজুৰি চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে তেওঁলোকক আটক কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2954

অসম

সামূহিক দায়বদ্ধতাই ৰাষ্ট্ৰীয় নিৰাপত্তা সুদৃঢ় কৰে: লে: জেনেৰেল নীৰজ শুক্লা

NewzNow জিলা ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, পুৱা ৮:০৪



আজাৰা: ৰাষ্ট্ৰীয় নিৰাপত্তা কেৱল দেশৰ সীমান্ত সুৰক্ষাৰ বিষয় নহয়; আভ্যন্তৰীণ স্থিতিশীলতা, সামাজিক সম্প্ৰীতি আৰু নাগৰিকৰ সামূহিক অংশগ্ৰহণৰ ওপৰতো ই নিৰ্ভৰশীল বুলি মন্তব্য কৰে গজৰাজ ক'ৰ্পছৰ জেনেৰেল অফিচাৰ কমাণ্ডিং লেফটেনেণ্ট জেনেৰেল নীৰজ শুক্লাই।

শুকুৰবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত বিশেষ বক্তৃতানুষ্ঠানত 'উত্তৰ-পূব ভাৰতৰ বিশেষ প্ৰসংগেৰে ৰাষ্ট্ৰীয় নিৰাপত্তা অনুধাৱন' শীৰ্ষক বিষয়ত ভাষণ দি এভিএছএম, এছএম সম্মানপ্ৰাপ্ত সেনা বিষয়াগৰাকীয়ে এই কথা কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2862

অসম

বল বিকৃতি কাণ্ডৰ তদন্তক লৈ ক্ৰিকেট অষ্ট্ৰেলিয়াক কাঠগড়াত তুলিলে ডেভিড ৱাৰ্নাৰে

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৩



ছিডনী, ১৪ নৱেম্বৰ: ২০১৮ চনৰ কেপ টাউন বল বিকৃতি কাণ্ডৰ তদন্তক লৈ ক্ৰিকেট অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে দেশখনৰ প্ৰাক্তন অপেনাৰ ডেভিড ৱাৰ্নাৰে। তদন্তৰ সময়ত মিচেল ষ্টাৰ্ক, নাথান লায়ন আৰু জশ হেজলউডৰ সাক্ষাৎকাৰ লোৱা হোৱা নাছিল বুলি দাবী কৰি ৱাৰ্নাৰে তদন্তৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন তুলিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3010

অসম

কোকৰাঝাৰত সুজিত নার্জাৰী সোঁৱৰণী সদৌ অসম অনূর্ধ্ব-১৩ ফুটবল চেম্পিয়নশ্বিপ

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, নিশা ৭:০২



কোকৰাঝাৰ জিলা ক্রীড়া সন্থাৰ উদ্যোগত আৰু অসম ফুটবল সন্থাৰ সহযোগত সুজিত নার্জাৰী সোঁৱৰণী সদৌ অসম অনূর্ধ্ব-১৩ আন্তঃজিলা ফুটবল চেম্পিয়নশ্বিপ ১৪ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব। প্রতিযোগিতাখন ২১ নৱেম্বৰলৈ চলিব।

অসমৰ বিভিন্ন জিলাৰ ১৩ বছৰ বয়সৰ তলৰ পুৰুষ ফুটবল দলসমূহে প্রতিযোগিতাখনত অংশগ্রহণ কৰিব।

বানাৰগাঁৱৰ জাইখলং এথলেটিক ক্লাবৰ মিনি ষ্টেডিয়াম খেলপথাৰ আৰু খাগ্রাবাৰীৰ ডিহুং স্প'টছ ক্লাবৰ খেলপথাৰত খেলসমূহ অনুষ্ঠিত হ'ব।

প্রতিদিনে পুৱা ৭.৩০ বজাৰ পৰা ৯ বজালৈ, ৯.৩০ বজাৰ পৰা ১১ বজালৈ, বিয়লি ১ বজাৰ পৰা ২.৩০ বজালৈ আৰু ২.৪৫ বজাৰ পৰা ৪.১৫ বজালৈ চাৰিখনকৈ খেল অনুষ্ঠিত হ'ব।

কনিষ্ঠ ফুটবল খেলুৱৈসকলৰ প্রতিভা বিকাশৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ মাজত ক্রীড়া-সম্পর্কীয় সম্প্রীতি আৰু ভাতৃত্ববোধ গঢ়ি তোলাৰ ক্ষেত্রত প্রতিযোগিতাখনে বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/3079

এই সংখ্যাত

১ কাজিৰঙা দুর্ঘটনাৰ ৭জন আহতৰ অৱস্থা সংকটজনক, ৫জন ভেণ্টিলেটৰত

১ ৰঙাজানৰ দুর্ঘটনাত নিহত ২৬গৰাকীৰ পৰিচয় প্রকাশ

১ গান্ধী পৰিয়ালক লৈ কংগনা ৰাণাৱতৰ বিতর্কিত পোষ্ট; কংগনা ৰাণাৱতৰ বিৰুদ্ধে এজাহাৰ

১ ছু'চিয়েল মিডিয়াত কমাণ্ডাৰক হত্যাৰ ভাবুকি! অসমীয়া চি আৰ পি এফ জোৱানক চাকৰিৰ পৰা বর্খাস্ত

১ ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদত পেলেষ্টাইনী জনগণৰ ভাৰতৰ সমর্থনত ভাৰতৰ ভোট

২ "আপোনাৰ লিংগৰ বাবেই নেকি?" মাইক্র'ফোনত বন্দী প্রধানমন্ত্রীআৰু মন্ত্রী অশালীন ধেমালি

২ নেহৰুৰ জন্মবার্ষিকীত মোদীৰ শ্রদ্ধাঞ্জলি

২ ৰঙাজান দুর্ঘটনা: ট্রেভেলাৰ চালকৰ বিশেষ মৰণোত্তৰ পৰীক্ষাৰ নির্দেশ

২ কাজিৰঙাৰ দুর্ঘটনাত ২৬ নিহতৰ মাজত বিহাৰৰো এজন

৩ কাজিৰঙা দুর্ঘটনা: চালকৰ ষ্ট্রোক বা হার্ট এটেকৰ সম্ভাৱনা মুখ্যমন্ত্রীৰ

৩ কাজিৰঙা দুর্ঘটনাত নিহতসকলৰ পৰিয়াললৈ ৭ লাখ টকাকৈ সাহায্য ঘোষণা মুখ্যমন্ত্রীৰ

৩ একেলগে জ্বলিব তিনি ভগ্নীৰ চিতা, কাজিৰঙাৰ দুর্ঘটনাই কাঢ়িলে একেটা পৰিয়ালৰ তিনিগৰাকীকৈ কন্যাৰ প্রাণ

৪ মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ নির্বাচনঃ মনোনয়ন-পত্র পৰীক্ষা সম্পন্ন

৪ প্রধানমন্ত্রীৰ জিগানী ভ্রমণৰ বাবেই গাঁৱে গাঁৱে মাংস বিক্রী বন্ধ! ভ্রমণক কেন্দ্র কৰি কর্ণাটকত বিতর্ক।

৪ নগ্ন ছবিৰ বিনিময়ত যুদ্ধৰ গোপন তথ্য ফাদিলৰ অভিযোগ! বায়ুসেনাৰ উইং কমাণ্ডাৰৰ বিৰুদ্ধে

৪ মহিলা জিলাধিপতিলৈ আপত্তিজনক বার্তা! তামিলনাড়ুত টিভিকে বিধায়কৰ বিৰুদ্ধে অভিযোগ

৫ অংকিতা ভাণ্ডাৰী হত্যাকাণ্ড: উর্মিলা ছানাৱাৰৰ নার্কো-পলিগ্রাফ পৰীক্ষাত আদালতৰ অনুমতি

৫ অসুস্থ পিতৃৰ ঔষধ আনিবলৈ গৈ উভতি অহাৰ পথত দীপক গুৰুঙৰ মৃত্যু

৫ হায়দৰাবাদৰ ভাৰত ছামিটত ভিছা বাধা! আমন্ত্রিত ৩১৫ বক্তাৰ ১১৫ জনেই উপস্থিত থাকিব নোৱাৰাৰ অভিযোগ কংগ্রেছৰ

৬ সূতাৰগাঁও পাব্লিক হাইস্কুলত মেট্রিক পঞ্জীয়নক লৈ গাফিলতি, ৪০ গৰাকী ছাত্র-ছাত্রী বঞ্চিত

৬ সীতাজখলা দুগ্ধ সমবায় সমিতিৰ পঞ্জীয়নৰ ৬৯সংখ্যক বর্ষ

৬ সমাজ-জাতিৰ প্রতি হাগ্রামাৰ দায়বদ্ধতা নাই: প্রমোদ বড়ো

৬ দেৰগাঁৱৰ জীয়েকৰ ঘৰৰ পৰা ঘৰলৈ বুলি উঠা ট্রেভেলাৰখনেই হৈ পৰিল শেষ যাত্রাৰ বাহন

৭ কংগ্রেছ বিধায়ক ভূষণ বাৰাৰ বিৰুদ্ধে ধর্ষণৰ অভিযোগ উত্থাপন কৰা নাবালিকাক অপহৰণৰ অভিযোগত দুজনৰ বিৰুদ্ধে গোচৰ

৭ ছয়গাঁৱত গীর্জা লণ্ডভণ্ডৰ অভিযোগত তিনিজন গ্রেপ্তাৰ

আৰু ১৫টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen